গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা - ৬



অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

১১ এপ্ৰিল, ২০১৭ (ষষ্ঠ বছৰ)



অসমীয়া বিভাগ

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, সোণাৰি মহাবিদ্যালয়

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা ঃ ৬

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
১১ এপ্ৰিল, ২০১৭ (ষষ্ঠ বছৰ)

# 'আধাৰ', ২০১৭ বৰ্ষৰ সম্পাদনা সমতি

(গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

উপদেষ্টা ঃ

অধ্যাপিকা ড° ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগয়ুং
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

সম্পাদক ঃ দ্বীপজ্যোতি গগৈ
দ্বীপজ্যোতি প্ৰধান

সদস্য/সদস্যা ঃ বনশ্ৰী গগৈ

---

## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়, ২০১৬-২০১৭ বৰ্ষ ঃ

## ঃ কেন্দ্ৰীয় সমিতি ঃ

উপদেষ্টা ঃ

অধ্যাপিকা ড° ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগয়ুং
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

অধিনায়ক

- শেৱালী ফুকন (৫ম যাণ্মাসিক)
- লক্ষ্যদ্বীপ গগৈ (৩য় যাণ্মাসিক)
- সুস্মিতা গগৈ (১ম যাণ্মাসিক)

# অনুক্ৰমণিকা


❖ সম্পাদকীয়

স্মৃতি ছাঁ খেদি

❖ স্মৃতিৰ পটত মোৰ মহাবিদ্যালয় — ববিতা কোঁৱৰ
❖ বিদায় বেলাত সোণাৰি মহাবিদ্যালয় অসমীয়া বিভাগলৈ একাজঁলি শ্ৰদ্ধা — জানমণি গগৈ

সাময়িক চিন্তা

❖ আজিৰ সমাজ ব্যৱস্থা আৰু যুৱ সমাজ ঃ এক অনুভৱ — পল্লৱী গগৈ
❖ বৰ্তমান সময়ত অসমীয়া ভাষাৰ প্ৰয়োজনীয়তা — জ্যোৎস্না চেতিয়া
❖ দীপৰ বিলৰ সম্পৰ্কে কিছু কথা — চন্দ্ৰিকা কোঁৱৰ

বিশেষ নিবন্ধ

❖ অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কীয় কিছু কথা — দিপল শইকীয়া

অনুভৱ শিল্প

❖ জীৱন ঃ ৰামধেনুৰঙী অন্য এক নাম — বনশ্ৰী গগৈ

শব্দ শিল্প

❖ এটি অনুভৱ — ৰেখামণি গগৈ
❖ প্ৰেম — উৰ্বশ্ৰী বৰুৱা
❖ যাত্ৰী — জোনমণি লাহন
❖ নিস্তব্ধ প্ৰতিবাদ — ক্ষীৰু প্ৰভা বড়া
❖ অসমৰ সাম্প্ৰতিক পৰিস্থিতি — সবিতা লোহাৰ
❖ মা — মিঠু গগৈ
❖ ফাগুনৰ পছোৱা — ইৰাণী গগৈ
❖ বসন্তৰ আগমণ — জানমণি গগৈ
❖ এটি অনুভৱ — ৰুবী সোণোৱাল
❖ ৰূপান্তৰৰ গছ — বনশ্ৰী গগৈ
❖ আহিনৰ এটি সন্ধিয়া — বন্দনা বৰুৱা

কথা শিল্প

❖ মালতীৰ জীৱন — মলয়া গগৈ

এক মিনিটৰ গল্প

❖ সময় সদায় একে নাথাকে ..... — ইৰাণী গগৈ

# সম্পাদকীয়

সোণাৰি মহাবিদ্যালয়ৰ 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ই ইতিমধ্যে বৌদ্ধিক বিকাশৰ বহু কাৰ্যসুচী ৰূপায়ন কৰি আহিছে। এই মঞ্চই 'আধাৰ' নামৰ গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক পত্ৰিকা এখনো প্ৰকাশ কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ কাৰণে এক সুস্থ বাতাবৰণ গঢ়ি তোলাই হৈছে 'আধাৰ' প্ৰকাশৰ মূল উদ্দেশ্য।

এই উদ্দেশ্য সমূখত লৈয়ে বিগত পাঁচটা বছৰে (এই বাৰ ষষ্ঠ বছৰ) 'আধাৰ'খন প্ৰকাশ কৰি থকা হৈছে। নানা ঘাত-প্ৰতিঘাতৰ মাজেদি আহি এইবাৰ ষষ্ঠ সংখ্যাটি প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে যদিহে এই আলোচনীখন সাহিত্য চৰ্চাৰ উত্তম মঞ্চ হিচাপে গণ্য কৰি ইয়াৰ সুযোগ গ্ৰহণ কৰিব পাৰে এয়াই আমাৰ একান্ত ইচ্ছা।

সম্পাদনা মণ্ডলী
'আধাৰ'



# স্মৃতিৰ পটত মোৰ মহাবিদ্যালয়

শ্ৰীমতী ববিতা কোঁৱৰ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

২০১৪ চনৰ জুলাই মাহৰ ২০ তাৰিখে এবুকু আশা, কিছু ভয়, শংকাৰে আনন্দ মিশ্ৰিত মন লৈ প্ৰৱেশ কৰিছিলোঁ সোণাৰি মহাবিদ্যালয়ত।

সৰুৰে পৰাই মই সোণাৰি মহাবিদ্যালয়ত পঢ়াৰ এক সপোন বুকুত বান্ধি ৰাখিছিলোঁ। সেইবাবে যিদিনা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিলো সেইদিনাৰে পৰা ঘৰত থুলস্থুলেই কৰি দিছোঁ যে মই অসমীয়া বিষয়ত অনাৰ্চ লৈ কলেজীয়া শিক্ষা সোণাৰি মহাবিদ্যালয়তে আৰম্ভ কৰিম। ঘৰত মা-সেউতা আৰু মোৰ শ্ৰদ্ধাৰ আপা আৰু নিচাদেউৰ সহায়-সহযোগত মোৰ সপোন বাস্তৱত ৰূপায়িত হয়।

এটা সঁচা কথা ক'বই লাগিব মই সোণাৰি মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ যিমান আগ্ৰহী আছিলো সিমানেই ভয়ো খাইছিলো যদি কলেজত গৈ ৰেগিঙৰ সন্মুখীন হ'ব লগা হয়। তেতিয়া মোৰ কি অৱস্থা হ'ব? কিন্তু যেতিয়া কলেজখনত কেইটামান দিন পাৰ কৰিলোঁ তেতিয়াহে এটা কথা বুজিলো যে কোনেও ৰেগিং নকৰে। নৱাগত আদৰণী সভাৰ পিছৰ পৰা ক্ৰমাৎ ভয়বোৰ মনৰ পৰা আঁতৰি গৈছিল।

সোণাৰি মহাবিদ্যালয়ত অসমীয়া বিভাগটো হৈ পৰিল মোৰ এক নতুন ঠিকনা। মহাবিদ্যালয়খনলৈ প্ৰথম আহিয়েই সকলোৰে লগত অতি সোনকালে আপোন হৈ পৰিলোঁ। মই নিজেই বুজিব নোৱাৰিলো যে ইমান কম সময়তে কেনেকৈ নতুন বন্ধু-বান্ধৱীৰ লগত খাপ খায় পৰিলো।

বাৰু যি নহওক, আমাৰ ক্লাচসমূহ আৰম্ভ হবলৈ ধৰিলে। ছাৰ-বাইদেউ সকলৰ লগত চিনাকী হ'লোঁ। আমাৰ ক্লাচবোৰ পূৰা ৮.৪৫ বজাৰ পৰা আৰম্ভ হয়। ইমান সোনকালে আহি ক্লাচবোৰ কৰাত অসুবিধা হ'লেও কিন্তু সদায় ক্লাচত উপস্থিত আছিলো। আমাৰ প্ৰথমদিনা মেজৰ ক্লাছ আৰম্ভ কৰিছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ

ৰঘুনাথ কাগ্যুং ছাৰে। লাহে লাহে ভাল লগা হৈ আহিছিল প্ৰৱক্তা পদ্মা বাইদেউৰ চৰ্যাপদ, ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা, ৰীতা বাইদেউৰ নাটক, লোকসাহিত্য, ৰেখা বাইদেউৰ ধ্বনি বিজ্ঞান, বিজয়লক্ষ্মী বাইদেউৰ তুলনামূলক সাহিত্য, গল্প, উপন্যাস আৰু ৰঘুনাথ ছাৰৰ বিভিন্ন সাহিত্য আৰু সমালোচনা ইত্যাদিৰ ক্লাছবোৰ। ক'ব নোৱাৰাকৈ চৰ্যাপদ, লোকসাহিত্য, ভাষাবিজ্ঞান, বিভিন্ন গল্প, সাহিত্য, উপন্যাস, নাটক আদিৰ মাজত সোমাই পৰিলোঁ। সৰুতে পঢ়িবলৈ ভাল নোপোৱা ব্যাকৰণ আকৌ ভাল লগা হৈ পৰিল।

পুৱা ৮.৪৫ ৰ পৰা আবেলি ৩.৩০ বজালৈকে ক্লাছৰ হেঁচা, মাজে মাজে ব্ৰেক। বেল পৰাৰ লগে লগে পুনৰ আনটো ক্লাছলৈ। কেতিয়াবা মেজৰ আৰু কেতিয়াবা পাছ কৰ্চৰ ক্লাছ। আকৌ ছেমিনাৰ, প্ৰজেক্ট, গ্ৰুপ ডিছকাছন, ফিল্ড ষ্টাডী এইবোৰ ব্যস্ততা থকাৰ উপৰি ক্লাছৰ ব্ৰেকত লাইব্ৰেৰীত কিতাপৰ অনুসন্ধান কৰা কেতিয়াবা চানাৱালাৰ ওচৰত এজাক ছোৱালীৰ সৈতে কেঁচা চানা, আলু বাদাম, আলু মুড়ি আদি খোৱাৰ মাজতো আছিল এক সুকীয়া আমেজ। এনেকৈয়ে আপোন হৈ পৰিল সকলো সম্বন্ধবোৰ তুমিৰ পৰা তই হ'ল।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰী হোৱাৰ লগতে সাতসৰী ছাত্ৰী নিবাসৰ আবাসী হোৱাৰো সৌভাগ্য হৈছিল। 'সাতসৰী ছাত্ৰী নিবাস'ত কটোৱা প্ৰতিটো পল-অনুপল মোৰ মানসপটত সজীৱ হৈ ৰ'ব। সৰুক মৰম কৰা, ডাঙৰক শ্ৰদ্ধা কৰা, একতাৰ ডোলেৰে ডাঙৰ কাম এটা সমাধান কৰা আদি কথাবোৰ যেন আমি হোষ্টেলতেই ভালকৈ শিকিব পাৰিলো। যিবিলাকে মোক অনাগত দিনত ব্যৱহাৰিক জীৱনত সহায় কৰিব। হোষ্টেলত নৱাগত আদৰণী সভা পতা, প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত আদি কামবোৰে নীতিশিক্ষা দি থৈ গ'ল আৰু হোষ্টেলৰ ছুপাৰ জ্যোতিপ্ৰসাদ ফুকন ছাৰৰ সৰল শাসনবোৰে ছাত্ৰী নিবাসৰ তিনিটা বছৰ সুকলমে অতিবাহিত কৰাত সহায় কৰিছিল।

মহাবিদ্যালয়খনৰ মিঠা অনুভৱবোৰ লিখি শেষেই নহ'ব ছাগে। কিমান যে ভাল লাগিছিল কলেজৰ দিনবোৰ। এপল দুপলকৈ সময়বোৰ পাৰ হৈ যায় চকুৰ পলকতে। মোৰ কলেজত থকাৰ শেষ দিন আহি কাষ চাপিছেহি। ভাবিলেই দুখ লাগি যায় কেনেকৈ যে এৰি যাম মোৰ বন্ধু-বান্ধৱীসকল আৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলক।



কলেজখনলৈ আহিবৰে পৰা কলেজখনৰ পৰিবেশটোৰ লগত ইমানেই গভীৰভাৱে বান্ধ খাই পৰিলো যে এই বান্ধোন ছিঙি পেলোৱাটো মোৰ পক্ষে কেতিয়াও সহজ হ'ব নোৱাৰে। সময়ৰ সৈতে খোজ মিলাই এদিন সোণাৰি মহাবিদ্যালয়লৈ আহিছিলো আৰু এতিয়া যাবৰ মুহূৰ্তত কেনেকুৱা অনুভৱ কৰিছো সেই কথা কাকো বুজাব নোৱাৰো। এৰি যোৱাৰ পিছতো হয়তো মনত পৰিব কলেজ পাৰ কৰা প্ৰতিটো মুহূৰ্ত। আমাৰ নিষ্কলুষ হাঁহি ধেমালিবোৰ আৰু সেই স্মৃতিকে সাৱটি আগবাঢ়িব লাগিব নতুন সপোন গঢ়াৰ প্ৰচেষ্টাত।

ব্যস্ততাৰ ধামখুমিয়াত কেতিয়াবা উজুটি খাই জিৰণি ল'লে পুনৰ ঘূৰি আহিম মনৰ বাটেৰে সোণাৰি মহাবিদ্যালয়ৰ বাকৰিলৈ। এমখা ছোৱালীৰ খিলখিল হাঁহি, উদ্যমেৰে ভৰা সেই পূৰ্ণ সপোন পূৰাই পুনৰ লগ হ'ম অডিটৰিয়ামত নতুবা অসমীয়া বিভাগৰ কোনোবা এটা কোঠাত ........ হাঁহিম আগৰ দৰে আকৌ এবাৰ।

শেষত এই মহান জ্ঞানৰ মন্দিৰ মোৰ চিৰনমস্য শিক্ষাগুৰুসকল আৰু কলেজ পৰিয়াললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু সকলোৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

❑❑❑

# বিদায় বেলাত সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগলৈ একাজলী শ্ৰদ্ধা

শ্ৰীমতী জানমণি গগৈ
ষষ্ঠ ষাণ্মাসিক

বিদায়বেলাত সোণাৰি মহাবিদ্যালয় তোমাক জনাইছোঁ প্ৰণাম। মহাবিদ্যালয়লৈ অহা প্ৰথম দিনটো মনতেই আছে কিন্তু কেনেধৰণৰ আমাক এই পৰ্যায় পোৱালেহি ভাৱিবৰ অৱকাশেই নাপালো। যিদৰে এদিন জন্ম হ'লে মৃত্যু অনিবাৰ্য ঠিক তেনেদৰে উভতি চাবলৈ যেন কাৰোৱে সময় নাই।

মহাবিদ্যালয়ৰ সন্মুখৰ তোৰণৰ কাষত থকা কৃষ্ণচুড়া গছৰ ছাঁৰ তলেৰে সোমাই, ইউকেলিপটাছ, আমলখি গছৰ জুৰ মলয়া বতাহ গাত লগাই যেতিয়া আমি মহাবিদ্যালয়লৈ প্ৰথম আহিছিলো এই মহাবিদ্যালয়খন এক অপূৰ্ব সৌন্দৰ্য্যৰ খনিৰ দৰে লাগিছিল। আমাক চুম্বকৰ দৰে টানি অনা এই মহাবিদ্যালয়ৰ তিনিটা ষ্টেপ বগাইয়ে আমাৰ অতিকে আপোন অসমীয়া বিভাগটো পাওঁ। এই বিভাগৰ চাৰ, বাইদেউসকলৰ মৰম, আশীৰ্বাদস্বৰূপ কথাবোৰ শুনি শুনি মনত লাভ কৰিছিলো প্ৰশান্তি। কিন্তু আজি এই সময় উকলি গৈছে। হয়তো আৰু অলপ দিনৰ পিছতেই এই পৱিত্ৰ ক্ষণৰ পৰা বিদায় মাগিম। এই বিদায়বেলাত হৃদয় ৰিক্ত হৈ গৈছে। শেষত সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উত্তৰোত্তৰ কামনা কৰিছোঁ।

□□□



সাময়িক চিন্তা

# আজিৰ সমাজ ব্যৱস্থা আৰু যুৱ সমাজ ঃ এক অনুভৱ

শ্ৰীমতী পল্লৱী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

যুৱ সমাজ মানৱ সম্পদৰ অবিচ্ছেদ্য অংগ। সমাজ তথা দেশৰ আশা ভৰষাৰ মূল। এই যুৱ সমাজ যদি কিবা কাৰণত অপচয় হয় তেতিয়া ই হৈ পৰিব সমাজৰ অপূৰণীয় ক্ষতি। বৰ্তমান সময়ত এই যুৱ শক্তিৰ অপচয় ঘটাৰ ইংগিত পোৱা গৈছে। আজি সভ্য সমাজৰ শীৰ্ষত উঠি দুৰ্ভাগ্যজনক আৰু বিপদজনক ভৱিষ্যতৰ ইংগিত বহন কৰিছে। সমাজৰ প্ৰতিটো স্তৰত কি সমাজিক, কি ৰাজনৈতিক, কি অৰ্থনৈতিক প্ৰায় সকলোতে নৈতিক অৱক্ষয় ঘটিছে। অস্বাভাৱিক মানসিকতা দেখিবলৈ পোৱা যায়। উদণ্ড, বিলাসপ্ৰিয়, সন্ত্ৰাসপ্ৰিয়, কৰ্মবিমুখ আৰু দুৰ্নীতিগ্ৰস্ত হোৱা দেখিবলৈ পোৱা গৈছে। অৰ্থলোভতেই হওক বা অন্য কোনো ব্যক্তি স্বাৰ্থ পূৰণৰ হকেই হওক, অতি নিষ্ঠুৰ হবলৈ শিকিছে। ইয়াৰ মূল কাৰণ আৰু প্ৰতিকাৰৰ ব্যৱস্থা আৰু চিন্তা কৰা প্ৰতিজন চিন্তাশীল ব্যক্তিৰ বাবে সময় সমাগত।

আজিৰ যুৱ সমাজত এনে অমানৱীয় চিন্তা-ধাৰাই গা কৰি উঠাৰ মূল কাৰক হিচাপে দেশত প্ৰকৃত শিক্ষাৰ অভাৱ বুলি মই ভাৱো আৰু সমাজ ব্যৱস্থায়ো যুৱ উশৃঙ্খলতা আনি দিছে। প্ৰকৃত শিক্ষাৰ অভাৱ বুলি মই ভাৱিবলৈ বাধ্য হৈছো। মোৰ দুটিমান পযেকৰ পাছতেই হয়তু স্নাতক ডিগ্ৰী সমাপ্ত হব। লাহে লাহে মোৰ চকুৰ আগৰ সুন্দৰ পৃথিৱীখনো যেন আন্ধাৰে আৱৰি ধৰিব। হয়তু এই চলিত বৰ্ষত স্নাতক ডিগ্ৰী সমাপ্ত কৰা বহু যুৱক-যুৱতীয়ে মোৰ দৰে সুন্দৰ পৃথিৱীখনক আন্ধাৰ দেখিবলৈ ল'ব। কাৰণ যেনে তেনে জোৰা তাপলি মাৰি চলি থকা পৰিয়ালবিলাকে উচ্চ শিক্ষাৰ বাবে বা অন্য কোনো বাণিজ্যিক এটা লাইন লোৱাটো এনে দৰিদ্ৰ পৰিয়ালবিলাকৰ বাবে খুবেই কঠিন।

বৰ্তমান সমাজ ব্যৱস্থাত আমি গ্ৰহণ কৰা এই ডিগ্ৰীসমূহ যে কিবা কামত ব্যৱহাৰ হব, ভাবিব নোৱাৰি। ই কোনো কৰ্ম সংস্কৃতিৰো সৃষ্টি নকৰে। ভাৰতবৰ্ষৰ প্ৰকৃত শিক্ষাৰ উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক আধ্যাত্মিক শিক্ষা দিয়াৰ উপৰিও কৰ্মমুখী শিক্ষা দিয়া। কিন্তু ই প্ৰকৃততে সফল হৈছে বুলি ক'বলৈ টান হৈ

পৰিছে। শিক্ষা প্ৰকৃত জ্ঞান বিলোৱাৰ মাধ্যম হ'লেও আমাৰ দেশৰ শিক্ষা ব্যৱস্থাই মানুহক প্ৰকৃত জ্ঞানৰ সন্ধান দিব পাৰিছেনে নাই সন্দেহ হৈছে। সমাজৰ দুস্কাৰ্য বৃদ্ধি পাইছে, শান্তি শৃঙ্খলা বিঘ্নিত হৈছে আৰু মানৱতাৰ অপমৃত্যু ঘটিছে।

উচ্চ শিক্ষা গ্ৰহণ কৰা বহু যুৱক-যুৱতী নিস্কৰ্মা হৈ পৰিছে। কাৰণ এনে উচ্চ শিক্ষাই কোনো ধৰণৰ কৰ্ম সংস্কৃতিৰ সৃষ্টি কৰা দেখা নগল। ফলত শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক মানুহ হিচাপে জীয়াই থাকিবলৈ বহু কিবা কিবি লাগে। আধুনিক তথা বিশ্বায়নৰ যুগত  সকলোৰে অন্তৰত জাগি উঠিছে ভোগ বিলাসৰ অদম্য হেঁপাহ যিয়ে আজি লিপ্ত কৰাইছে নানান প্ৰকাৰৰ সমাজিক অপকৰ্মত। ইয়াক নিৰাময় কৰা চিন্তাশীল ব্যক্তি তথা শিল্পী, সাহিত্যিক বুদ্ধিজীৱীসকলৰ হাতত নিশ্চয় আছে। নহ'লে আমি সকলোৰে এদিন অতি ভয়ানক আৰু বীভৎস কৰ্ম কাণ্ডৰে পৃথিৱীলৈ বাট চাই থকাৰ বাদে আন একো আশা কৰিব নোৱাৰিম।

□□□



# বৰ্তমান সময়ত অসমীয়া ভাষাৰ প্ৰয়োজনীয়তা

শ্ৰীমতী জ্যোৎস্না চেতিয়া
স্নাতক ষষ্ঠ ষাণ্মাসিক

সময় গতিশীল। গতিশীল সময়ৰ লগত মানুহে খোজত খোজ মিলাই আগুৱাই গৈ উন্নতিৰ শীৰ্ষত নিজকে প্ৰতিষ্ঠা কৰিছে। বৰ্তমান যুগ যিহেতু আধুনিক সেইবাবে এই অধুনিকতাই মানুহক মনৰ পৰিবৰ্তন সাধনত অৰিহণা যোগাইছে। বৰ্তমান সময়ত শিক্ষা, সমাজ, সাহিত্য-সংস্কৃতি আদিৰ ক্ষেত্ৰত আধুনিকতাৰ নামত আমূল পৰিৱৰ্তন হৈছে। যাৰ ফলত বৰ্তমান সময়ত অসমীয়া ভাষাৰ প্ৰয়োজনীয়তা বিষয়টো সোমাই পৰিছে। অসমীয়া ভাষা হৈছে অসমৰ মাতৃভাষা অৰ্থাৎ অসমত বসবাস কৰা সকলো লোকৰে মাতৃভাষা হৈছে অসমীয়া। কিন্তু বৰ্তমান সময়ত আমাৰ নিজৰ জন্মভূমিতকৈ নিজৰ মাতৃভাষাটো সংকটত পৰিছে। কিন্তু কিয় এনে হ'বলৈ পাইছে সেই কথা আমি এবাৰ ভাবি চাইছোনে? কেৱল আজি আমি নিজৰ কেৰিয়াৰ লৈহে ব্যস্ত। আমাৰ মাতৃভাষাক ধ্বংসৰ গৰাহলৈ আমি নিজেই ঠেলি দিছোঁ। বৰ্তমান সময়ত অসমীয়া ভাষাতকৈ ইংৰাজী ভাষা শিকাৰহে আগ্ৰহ বেছি দেখা যায়। যদিহে অসমত জন্মলাভ কৰি নিজৰ মাতৃ ভাষাটোক শুদ্ধকৈ ক'বই নোৱাৰে তেনেহ'লে ইংৰাজী ভাষা শিকাৰ জানো মূল্য থাকিব?

অসমীয়া ভাষাটো বৰ্তমান সময়ত প্ৰায়ে অৱহেলিত হ'বলৈ ধৰিছে। আজি কালি অভিভাৱকসকলেও নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়তহে দিব বিচাৰে। এইটো নহয় যে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া ছাত্ৰ-ছাত্ৰীসকলেহে মেধাৱী। বৰ্তমান সময়ত মাম্মী আৰু ডেড্ডী শব্দ দুটাৰ প্ৰাধান্য বেছি দেখা যায়, 'মা' আৰু 'দেউতা' শব্দ দুটাৰ তুলনাত। মাম্মী আৰু ডেড্ডী বুলি ক'ব পাৰিলেই এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীক সভ্য বা মেধাৱী বুলিব নোৱাৰি। 'মা' আৰু 'দেউতা' শব্দ দুটাত মমতা আৰু ভক্তিভাৱ উজ্বলি উঠে আৰু এই শব্দ দুটা উচ্চাৰণ কৰাৰ লগে লগেই হৃদয়ত এক অনাবিল আনন্দ আৰু আৱেগৰ জোৱাৰ উথলি উঠে। কিন্তু মাম্মী আৰু ডেড্ডী এই শব্দ দুটাত কৃত্ৰিমতাৰে ভাৱহে প্ৰকাশ পায়। 'মা' আৰু 'দেউতা' শব্দ দুটাৰ দৰে মমতা আৰু ভক্তিভাৱ উজ্বলি নুঠে আৰু হৃদয়ো স্পৰ্শ কৰিব নোৱাৰে। ইংৰাজীত কেইটামান শব্দ উচ্চাৰণ কৰিব পাৰিলেই মাক-

দেউতাকে আনৰ আগত গৌৰৱ কৰি কয় যে আমাৰ 'ই' বা 'তাই' অকল ইংৰাজীতহে কথা ক'ব জানে, অসমীয়া একেবাৰেই নাজানে। এনেদৰে ভবাটো তেওঁলোকৰ ভুল ধাৰণাহে। কিন্তু তেওঁলোকে এবাৰ ভাবি চাইছেনে তেওঁলোকৰ সন্তানক অসমীয়া ভাষা শিক্ষা দিয়াৰো প্ৰয়োজন আছে। চাবলৈ গ'লে কেৱল অভিভাৱকসকলেই নহয়, বৰ্তমান শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মৰ মাজতো অসমীয়া ভাষাটো অৱহেলিত হ'ব ধৰিছে। পৰীক্ষাত পাছ কৰিবলৈহে অসমীয়া বিষয়টো পঢ়ে, কিন্তু কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে অসমীয়া বিষয়টো খৰচি মাৰি অধ্যয়ন কৰে। অসমীয়া বিষয়টো সন্মান বিষয় হিচাপে লৈছোঁ বুলি ক'লে বহু মানুহে ঠাট্টাৰ সুৰতহে কয়, অ' অসমীয়াতহে নেকি? এইটো নহয় যে অসমীয়া বিষয়টো সন্মান লৈ পঢ়িলেই এজন ছাত্ৰ বা এগৰাকী ছাত্ৰী নিম্ন মানদণ্ডৰ হৈ যাব। যি প্ৰজন্মই নিজৰ মাতৃক শ্ৰদ্ধা আৰু ভক্তি কৰিব নাজানে তেনে প্ৰজন্মই ভবিষ্যতে নিজৰ জন্মভূমি আৰু জাতিটোক কিমান সুৰক্ষিত স্থানত ৰাখিব সেয়া সন্দেহজনক ক'ব পাৰি।

এতিয়া আমি সকলোৱেই অসমীয়া ভাষাটো গুৰুত্বসহকাৰে লোৱাৰ সময় আহি পৰিছে। ভগ্নপ্ৰায় অসমীয়া ভাষাটো যদি এতিয়াই সাৰ-পানী দি জীপাল কৰিব নোৱাৰো তেনেহ'লে অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ কোনো অস্তিত্বই নাথাকিব। নিজৰ ঘৰত থাকিও আমি আনৰ অধীন হ'ব লাগিব। সেইবাবে সকলো ভাই-ভনী, বন্ধু-বান্ধৱ তোমালোকক আহবান জনাইছো, আঁহা আমি সকলোৱেই মিলি আমাৰ মাতৃভাষাক আই মাতৃৰ কোলাৰ পৰা আনক কাঢ়ি নিব নিদি আইৰ কোলাতেই তুলি-তালি ডাঙৰ-দীঘল কৰোঁ। এতিয়া সকলো আমাৰ ওপৰত। আমিয়েই যদি মাতৃভাষাটোক ৰক্ষা নকৰোঁ তেনেহ'লে ৰক্ষা কৰিব কোনে। আহাঁ আমি সকলোৱেই মিলি অসমীয়া ভাষাটো বিশ্বদৰবাৰত উজ্জ্বল তৰাৰ দৰে জিলিকাই তোলো। এইয়া আমাৰ সকলোৰে গুৰু দায়িত্ব।

□□□



# দীপৰ বিলৰ সৰ্ম্পকে কিছু কথা

শ্ৰীমতী চন্দ্ৰিকা কোঁৱৰ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

গুৱাহাটীৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দুৰত্বত অৱস্থিত দীপৰ বিলৰ উচ্চতা সাগৰ পৃষ্ঠৰ পৰা ৫০-৬০ মিটাৰ। দীপৰ বিলত বহুৰঙী পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। ১৯৮৯ চনত প্ৰায় ২১৯ বিধ চৰাইৰ প্ৰজাতি পোৱাৰ তথ্য পোৱা গৈছে। বৰ্তমান ইয়াৰ সংখ্যা বহু পৰিমাণে কমি আহিবলৈ ধৰিলে। অসম চৰকাৰে ১৯৮৯ চনৰ ২২ জানুৱাৰীত "বন্যপ্ৰাণী অভয়াৰণ্য" হিচাপে দীপৰ বিলক স্বীকৃতি দিয়ে। দূৰ-দূৰণিৰ বহু মূল্যবান আৰু দুৰ্লভ প্ৰজাতিৰ চৰাইৰ আগমনে দীপৰ বিলৰ প্ৰাকৃতিক সুন্দৰতা দুগুণে বঢ়াইছে। বিলখনত প্ৰত্যক্ষ কৰা কেইবিধমান চৰাই হ'ল এনেধৰণৰ - হাইঠা, চাকৈ-চকোৱা, মণিঅৰি শিৰহাঁহ, খাৰহাঁহ, ঘিলাহাঁহ, বনৰীয়া পাতিহাঁহ, হাড়গিলা ইত্যাদি বহুতো।

গুৱাহাটীত অৱস্থিত দীপৰ বিলৰ জন্ম ব্ৰহ্মপুত্ৰৰ কোলাতে হোৱা বুলি কোৱা হয়। বৰষুণৰ মাত্ৰাই দীপৰ বিলৰ পৰিবেশ বচাই ৰাখিছে। গুৱাহাটীৰ বানপানীৰ অধিকাংশই এই বিলখনত পৰেহি। কিন্তু গুৱাহাটীৰ দূষিত পানী আৰু জাবৰ-জোঁথৰে দীপৰ বিলক প্ৰদুষিত কৰাৰ লগতে ইয়াৰ ঐশ্বৰ্য্যৰ মাত্ৰা কমাই আনিছে। সেয়ে দীপৰ বিলে অৱসানৰ পথত গতি কৰিছে। গেলা-পচা বস্তু, আৱৰ্জনা আদিবোৰে বিলখনক সংকটময় কৰি তুলিছে। ইয়াৰ ফলস্বৰূপে বহুতো পৰিভ্ৰমী চৰাই মৃতুমুখত পৰিছে। ইয়াৰ কাৰণে বিলখনত থকা বিভিন্ন প্ৰজাতিৰ চৰাইৰ সংখ্যাও কমি আহিল। দীপৰ বিলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ আৱৰ্জনাবোৰ পৰিস্কাৰ-পৰিচ্ছন্ন কৰিব লাগিব। তেতিয়াহে বিভিন্ন ঠাই বা দেশৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটিব। লগতে দীপৰ বিলৰ প্ৰাকৃতিক সৌন্দৰ্য্য বহু পৰিমাণে বৃদ্ধি পাব। প্ৰয়োজনসাপেক্ষে দীপৰ বিলক সংৰক্ষণ আৰু পুনৰুদ্ধাৰ কৰিবৰ বাবে চৰকাৰে অসংখ্য স্বেচ্ছাসেৱী সংগঠন সমিনি গঠন কৰিছে। যাৰ জৰিয়তে দীপৰ বিলে এক উচ্চ মানদণ্ড লাভ কৰিবলৈ সক্ষম হ'ব। সৌন্দৰ্য্য স্থানৰ উপভোগ কৰাৰ লগতে বিদেশী পৰ্যটকৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিব।

□□□

বিশেষ নিবন্ধ

# অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কীয় কিছু কথা


শ্ৰীদিপল শইকীয়া
ষষ্ঠ ষাণ্মাসিক

ভাষা হ'ল মানৱ সৃষ্ট সুশৃংখল আৰু বিশেষ প্ৰণালীবদ্ধ ভাব প্ৰকাশৰ মাধ্যম। বিশ্বৰ সমগ্ৰ মানৱ জাতিয়ে বিভিন্ন পৰিৱেশত তেওঁলোকৰ জীৱন সঞ্চালন কৰিবৰ বাবে বিভিন্ন ধৰণৰ ভাষা ব্যৱহাৰ কৰে। ভাৰতবৰ্ষৰ উত্তৰ-পূৰত অৱস্থিত অসমৰ মানুহৰ জননী ভাষাটো হ'ল 'অসমীয়া'। ভাষা একোটাই এটা দিনতে পূৰ্ণতা লাভ কৰিব নোৱাৰে। বহু ক্ৰমবিকাশৰ পাছতহে ই পূৰ্ণতা লাভ কৰে। সাধাৰণতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মৰ মুখৰ ভাষা সৰলীকৃত হ'বলৈ ধৰে। আৰু তেতিয়াই কিছুমান পাৰ্থক্য গা কৰি উঠে। অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে জানিবলৈ হ'লে ইয়াৰ পূৰ্বস্তৰৰ বিষয়ে জানিব লাগিব।

পৃথিৱীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী হ'ল 'ইণ্ডো-ইউৰোপীয়' ভাষা পৰিয়াল। এই পৰিয়ালৰে অন্তৰ্গত 'ইণ্ডো-ইৰাণীয়' বা আৰ্যশাখা'ৰ লোকসকলে প্ৰাচীন পাৰস্য বা আধুনিক ইৰাক-ইৰাণত বসতি স্থাপন কৰাৰ উপৰিও কিছুসংখ্যক একাধিক দল বা ফৈদত বিভক্ত হৈ উত্তৰ-পশ্চিম গিৰিপথেদি আহি আনুমানিক খ্ৰীঃপূৰ্ব পঞ্চদশ শতাব্দীমানত ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। ভাৰতলৈ অহা আৰ্য শাখাৰ এইসকলক 'ভাৰতীয় আৰ্য' বুলি কোৱা হয় আৰু তেওঁলোকৰ যি ভাষা আছিল তাকে 'ভাৰতীয় আৰ্যভাষা' বুলি কোৱা হয়। এই ভাষাই সেই খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতাব্দীমানৰ পৰা বৰ্তমান পৰ্যন্ত বিভিন্ন ৰূপত পৰিৱৰ্তন লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত ভাষাৰ জন্ম দিছে।

অসমীয়া ভাষাত ব্যৱহৃত ধ্বনি আৰু ৰূপ, সংস্কৃত তথা ভাৰতীয় আৰ্যভাষাৰ লগত মিল দেখা যায়। গতিকে এই মিলৰ ওপৰত ভিত্তি কৰি ভাষাবিদসকলে অসমীয়া ভাষাটো যে আৰ্য ভাষাৰে এটা ঠাল সেইকথা নিশ্চিত কৰিছে। তলত ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ক্ৰমবিকাশৰ তালিকা কৰি দেখুওৱা হ'ল ঃ





ভাৰতীয় আৰ্য ভাষাৰ পৰ্যালোচনাৰ বাবে খ্ৰীঃ পূঃ ১৫০০ শতিকাক ভিত্তি হিচাপে ধৰিলৈ বৰ্তমানলৈকে তিনিটা স্তৰত ভাগ কৰিছে। সেই ভাগ কেইটা হ'ল -

১। প্ৰাচীন ভাৰতীয় আৰ্যভাষা (খ্ৰীঃ পূঃ ১৫০০ - খ্ৰীঃ পূঃ ৬০০ লৈ)

২। মধ্য ভাৰতীয় আৰ্যভাষা (খ্ৰীঃ পূঃ ৬০০ খ্ৰী ঃ ১০০০ লৈ)

৩। নব্য ভাৰতীয় আৰ্যভাষা (খ্ৰীঃ ১০০০ - বৰ্তমানলৈ)

মূলতঃ একেই ভাৰতীয় আৰ্যভাষা যদিও বিভিন্ন যুগত পৰিৱৰ্তন লাভ কৰি পৃথক ৰূপ লাভ কৰিছিল কাৰণে এইদৰে পৃথক নামকৰণ কৰা হৈছে বুলি অনুমান কৰিব পাৰি।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ একমাত্ৰ নিদৰ্শন হৈছে ঋকবেদ। খ্ৰীঃ পূঃ ১৫০০ শতিকাৰ পৰা খ্ৰীঃ পূঃ ৬০০ শতিকালৈ উত্তৰ পূৱ ভাৰত তথা অসমত প্ৰচলিত ভাষাৰ কোনো বিশেষ নিদৰ্শন পোৱা নাযায়। উত্তৰ ভাৰত, উত্তৰ পশ্চিম ভাৰতীয় আৰ্য ভাষাৰ ৰূপ সংস্কৃত আছিল বাবে অসমতো সেই কালছোৱাত সংস্কৃত ভাষাৰ ব্যৱহাৰ আছিল বুলি অনুমান কৰিব পাৰি।

ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় স্তৰটো হ'ল মধ্য ভাৰতীয় আৰ্যভাষা। ইয়াৰ সময় সীমা খ্ৰীঃ পূঃ ৬০০ৰ পৰা খ্ৰীঃ ১০০০ শতিকালৈকে। মধ্যভাৰতীয় আৰ্য ভাষাৰ ধ্বনিগত আৰু ৰূপগত সাদৃশ আৰু বৈসাদৃশ্যলৈ লক্ষ্য কৰি ইয়াক তিনিটা স্তৰত ভাগ কৰিছে। সেইকেইটা এনেধৰণৰ -

১। আদি স্তৰ (খ্ৰী ঃ পূঃ ৬০০ পৰা খ্ৰীঃ ১ম)

২। মধ্য স্তৰ (খ্ৰীঃ পূঃ ১মৰ পৰা - ৬০০)

৩। অন্তস্তৰ (খ্ৰীঃ ৬০০ পৰা ১০০ লৈ)

মধ্যভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰ অৰ্থাৎ আদি প্ৰাকৃতৰ সাহিত্যিক ভাষাটোকেই পালি বা আদি প্ৰাকৃত বোলা হয়। সহজ কথাত ক'বলৈ হ'লে শাস্ত্ৰকাৰসকলে যি ভাষাৰে বৌদ্ধ শাস্ত্ৰসমূহ লিপিবদ্ধ কৰিছিল সেই ভাষাকে পালি ভাষা বুলি কোৱা হৈছে। খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীমানত প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ যি বৈদিক সংস্কৃত ভাষাৰ ৰূপ বিৱৰ্তন হৈছিল সামগ্ৰিক ভাৱে সেই বিৱৰ্তিত ৰূপটোকে "প্ৰাকৃত' বোলা হৈছিল। পালিক তাৰেই প্ৰথম সাহিত্যিক ৰূপ বুলি ক'ব পৰা যায়। অৰ্থাৎ প্ৰাকৃতৰ আদি স্তৰৰ সাহিত্যিক নিদৰ্শন হৈছে পালিভাষা, আৰু আদি স্তৰৰ সাহিত্যিক নিদৰ্শনসমূহ বিশেষভাৱে পোৱা যায় তেওঁলোকৰ



অনুশাসনসমূহত, বৌদ্ধ হীনযান সম্প্ৰদায়ৰ 'পালি' ভাষাৰ মাজত আৰু বৌদ্ধ মহাযান সম্প্ৰদায়ৰ 'মিশ্ৰ-প্ৰাকৃত' বা বৌদ্ধ সংস্কৃত ভাষাৰ মাজত।

মধ্যস্তৰৰ সময়সীমা হ'ল খ্ৰীঃ পূৰ্ব ষষ্ঠৰ পৰা খ্ৰীষ্টীয় নশম শতিকালৈকে। এই সময়ছোৱাত পালি ভাষাই অঞ্চল অনুযায়ী বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰিলে আৰু বিভিন্ন আঞ্চলিক নামেৰ পৰিচাৰিত হ'ল। বিভিন্ন সাহিত্য সৃষ্টি হোৱা বাবে এই প্ৰাকৃতবোৰক 'সাহিত্যিক প্ৰাকৃত' বুলি কোৱা হয়। প্ৰধানত ঃ ইয়াৰ পাঁচটা ভাগ ক) মহাৰাষ্ট্ৰী খ) শৌৰসেনী গ) মাগধী ঘ) অৰ্ধ-মাগধী ঙ) পৈশাচী।

মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্ত স্তৰ অৰ্থাৎ অন্তিম স্তৰৰ ভাষাকেই অন্ত্য প্ৰাকৃত বোলা হয়। খ্ৰীঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীঃ দশম শতাব্দীৰ মাজৰ সময়ছোৱাক অন্ত্য স্তৰৰ কাল বুলি ধৰা হয়। পণ্ডিতসকলে মত প্ৰকাশ কৰিছে যে প্ৰত্যেক সাহিত্যিক প্ৰাকৃতেই কালক্ৰমত সৰলতৰ ৰূপ পৰিগ্ৰহ কৰিছিল আৰু এই সৰলতৰ ৰূপটোৱেই 'অপভ্ৰংশ'। সেয়েহে প্ৰত্যেক প্ৰাকৃতৰে এটা অপভ্ৰংশৰ অৱস্থাৰ বা স্তৰৰ কথা কল্পনা কৰা হৈছে আৰু তাৰ পৰাই আধুনিক ভাৰতীয় ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ হয় বুলি মত দিছে। যেনে-

মহাৰাষ্ট্ৰী প্ৰাকৃত ঃ মহাৰাষ্ট্ৰী অপভ্ৰংশ- আধুনিক মাৰাঠী,

মাগধী প্ৰাকৃত ঃ মাগধী অপভ্ৰংশ - অসমীয়া, বাংলা, ওড়ীয়া, মৈথেলী, মগধী, ভোজপুৰী

শৌৰসেনী প্ৰাকৃত ঃ শৌৰসেনী অপভ্ৰংশ - পশ্চিমা-হিন্দী, গুজৰাটী, ৰাজস্থানী।

অৰ্ধ মগধী ঃ অৰ্ধ মগধী অপভ্ৰংশ - পূৰ্ব হিন্দী। অসমীয়া অপভ্ৰংশৰ আটাইতকৈ প্ৰাচীন নিদৰ্শনটো হ'ল- চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকা। ইয়াৰ উপৰিও তামৰ ফলি, চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্তন আদিক অসমীয়া ভাষাৰ নিদৰ্শন বুলিব পাৰি।

কোৱা হয় ভাৰতীয় আৰ্য ভাষাই উত্তৰ-পুবত খ্ৰীঃ অষ্টম শতিকামানত অসমীয়া ৰূপ লৈছিল, কিন্তু সেই ভাষা বৰ্তমান আধুনিক অসমীয়া ভাষাতকৈ বহুতো ধ্বনিগত আৰু অসমীয়া ভাষাই আধুনিক অসমীয়াৰ ৰূপ লয়। খ্ৰীঃ চতুৰ্দশ শতিকাৰ পৰা বৰ্তমানলৈকে অসময়া ভাষাক তিনিটা ভাগত ভাগ কৰিছে -

১। প্ৰাচীন অসমীয়া (খ্ৰীঃ ১৪০০ পৰা ১৬০০ লৈ)

২। মধ্য অসমীয়া (খ্ৰীঃ ১৬০০ পৰা ১৯০০ লৈ)

৩। আধুনিক অসমীয়া (খ্ৰীঃ ১৯০০ পৰা বৰ্তমানলৈ)

**১। প্ৰাচীন অসমীয়া ঃ** চতুৰ্দশ শতিকাৰ পৰা অসমীয়া ভাষাই বিশেষ প্ৰসাৰতা লাভ কৰে। কাৰণ অসমৰ বহুভাষীক জনগোষ্ঠীসমূহৰ নিজৰ ভাষাৰ লগত অসমীয়া ভাষাক অধিক প্ৰাধান্য দিবলৈ ধৰিলে, লগতে সেই সময়ৰ লেখকসকলে ৰজাঘৰীয়া পৃষ্ঠপোষকতা আৰু সন্মানে তেওঁলোকক প্ৰভাৱিত কৰিছিল। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' আৰু মাধৱ কন্দলীৰ 'ৰামায়ণ অসমীয়া লৈ অনুবাদ কৰা কাৰ্যই আৰু গুৰু দুজনাৰ অমৰ সৃষ্টিসমূহ অসমীয়া সাহিত্য সেউজময় কৰিলে।

**২। মধ্য অসমীয়া ঃ** এই সময়ছোৱাত অসমীয়া ভাষাৰ ৰূপ প্ৰাচীন অসমীয়াতকৈ কিছু সৰলীকৃত হয়। স্বৰ আৰু সুৰৰ সমীভৱন হয়। সপ্তদশ শতিকাৰ পৰা অষ্টাদশ শতিকা লৈ অসমীয়া ভাষাৰ নিদৰ্শন যথেষ্ট পোৱা যায়। বিশেষকৈ অনুবাদ সাহিত্য। ভট্টদেৱৰ 'কথাগীতা' আৰু 'কথা ভাগৱত' এই সময়ছোৱাৰ উৎকৃষ্ট নিদৰ্শন। আনহাতে অসমৰ বৰভেঁটি গঢ়া আহোমসকলে সাতৰাজ মাৰি একৰাজ কৰি অসমীয়া জাতি গঢ়িলে। তেওঁলোক মূলত 'টাই' বা 'থাই' ভাষী লোক আছিল। তেওঁলোকৰ বুৰঞ্জী পুথিসমূহ অসমীয়া সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। এই আহোমসকলৰ পৃষ্ঠপোষকতাত এক ৰাজনৈতিক ঐক্য স্থাপন হোৱাৰ বাবে এই অঞ্চলটো তথা ভু-ভাগ অসম নামেৰে পৰিচিত হ'ল আৰু তেওঁলোকে নিজৰ টাই ভাষাটো বাদ দি মাগধী প্ৰাকৃতৰে অপভ্ৰংশৰ আঞ্চলিক ৰূপক গ্ৰহণ কৰিলে। আৰু তেওঁলোকে ব্যৱহাৰ কৰাএই আঞ্চলিক ৰূপটো 'অসমীয়া ভাষা' নামেৰে বিশ্ব দৰবাৰত পৰিচিত হ'ল।

□□□





# জীৱন ঃ ৰামধেনুৰঙী অন্য এক নাম

শ্ৰীমতী বনশ্ৰী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

সময় এটা ঠিকনা, য'ত জীৱশ্ৰেষ্ঠৰূপী মানৱে প্ৰতিটো ক্ষণক জীৱন নামৰ এখিলা পৃষ্ঠাত লিখি ৰাখে সংগ্ৰামৰ বিৱৰণ, জীৱনটোত থাকে অযুত সংগ্ৰামৰ কিছু জাগ্ৰত সপোন, সেই সপোনবোৰে সময়ৰ হেন্দালিত লহপহকৈ বাঢ়িব খোজে, আশায়ো টঙালি বান্ধিব খোজে। কিন্তু সময় জানো উদাৰ যে সকলোকে সুযোগ দিব। জীৱনটো জখলা বগাই চুকি পোৱা বৰ সহজলভ্য নহয়। জীয়াই থকাৰ বাসনাৰে জীৱনক ভালপোৱা সকলৰ মাজত ই সুবাস ছটিয়াই। মানুহে অশেষ কষ্ট, যন্ত্ৰণা, বহু ত্যাগৰ জৰিয়তেহে ইয়াক সুন্দৰভাৱে আটোমটোকাৰীকৈ ৰাখে। যিহেতু হাঁহি আৰু চকুলোৰ সমাহাৰেই জীৱন অৰ্থাৎ জীৱনটো হাঁহিৰে মধুৰ আৰু বেদনাৰে গধুৰ। এই দুয়োটি উপকৰণৰ মণিকাঞ্চনতহে জীৱনটো সাৰ্থক। মানুহৰ প্ৰতিটো ক্ষণ পল-অনুপলত কেতিয়াবা দুখে আৰু কেতিয়াবা সুখে ভুমুকি মাৰে। তথাপি জানো আমি থমকি ৰওঁ। দুটোপাল সেমেকা অশ্ৰুৰ সৈতে বাগৰি আহে দুখৰ বা সুখৰ স্মৃতি লৈ। কিন্তু কোনোৱে নিবিচাৰে জীৱনৰ বাধা-বিঘিনি সৈতে মুখামুখি হ'বলৈ, বিচাৰে কেৱল সেউজীয়াবোৰক হাকুটিয়াবলৈ। কোনোৱে একান্ত প্ৰচেষ্টাত সফলো হয় কোনোৱে বিফলো হয়। তথাপিও জীৱন এক সত্বা, যাৰ এটা সঠিক ঠিকনা আছে। এই জীৱন মধুময় আৰু বৰ অনুপম।

□□□

# এটি অনুভৱ

ৰেখামণি গগৈ

ভূ-স্বৰ্গ তুমি জীৱনৰ যাত্ৰাপথৰ,
তোমাৰ বুকুতেই বাগৰ সলাই
দিঠক হয় সপোন
শব্দ, বৰ্ণ, ৰূপ ৰসেৰে সুষমামণ্ডিত সুৰৰ ৰাগিত
মন্দাকিনী নিজৰা বৈ আছে,
কবি ৰঘুনাথ কাগযুংৰ
কবিতাৰ আঁহে আঁহে ...... 'ইয়াত নদী আছিল',
'বোধিদ্ৰুমৰ খৰি', 'টোপনিতো তেওঁ মোক খেদি ফুৰিছিল'
ইত্যাদি......
ৰোমাণ্টিক যুগৰ বহু বৰ্ণিল ব্যাখ্যাৰে
আবেগক ৰূপ দিছিল তেওঁ ভাব গভীৰ ব্যঞ্জনাৰে,
সেই ৰূপক সপোন সজাই জীৱন দিছিল
বিজয়লক্ষ্মী বাইদেউৰে
যাৰ ওঁঠেৰে কবিতা নিগৰে
সজীৱ হয় হৃদয়ৰ পদূলি,
সেই পদুলিত বৰগীতৰ অমিয়া সুৰ ঢালি ছন্দ, বৰ্ণ,
ৰীতি ধ্বনিৰে প্লাৱিত কৰে শ্ৰদ্ধাৰ ৰীতা বাইদেউৰে
জীৱনবোধৰ আধ্যাত্মিক জ্ঞানেৰে পোহৰই তোলে সমুখৰ বাট
নৱৰসৰ সুন্দৰ বিশ্লেষণেৰে জীয়াই তোলে
অংকীয়া নাটৰ শ্বাশ্বত ৰূপ,
ঐতিহ্যৰ আধাৰ
অসীময়া বিভাগ
ভেদা-ভেদ পাহৰি সম্প্ৰীতিৰ এনাজৰীৰে আকোঁ নতুন পৃথিৱী
গাঁও নতুনৰ নৱ উদ্দীপনাৰ গান
যি গানৰ সুৰে শিকাই প্ৰেম ভালপোৱাৰ অমোঘ মন্ত্ৰ,
এনেদৰে সময়ে বাট বুলে অৱধাৰিত ভাবে
স্বদেশ স্বজাতিৰ কথা কৈ
ভাষাৰ ঐতিহ্য বিচাৰি
পদ্মা বাইদেউৰে শিকালে
অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ তত্ত্ব আৰু
কৰ্তব্য নিষ্ঠাৰ অকৃত্ৰিম সূত্ৰ।
চিৰ নমস্য তুমি শিক্ষাগুৰু
শ্ৰদ্ধাৰে সুঁৱৰোঁ তোমাক ❑❑❑



# প্ৰেম

শ্ৰীমতী উৰ্বশী বৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক

প্ৰেম
তুমি বৰ নিষ্ঠুৰ
তুমিয়েই হৈছা ধ্বংস আৰু সৃষ্টিৰ মূল
যাৰ বাবে তোমাক মই ঘিণ কৰো
তুমিয়েই ধ্বংস কৰা সুখৰ সংসাৰ
মানুহক কৰি তোলা বিপ্লৱী
তোমাৰ প্ৰৰোচনাত পৰিয়েই
বহুতো ডেকা-গাভৰুৰ জীৱন ধ্বংস হয়
আৰু বহুতো ষোড়শীয়ে গচকি আহে
মাক দেউতাকৰ মৰম।
সেয়ে তোমাক মই বৰ ভয় কৰো।

❑❑❑

# যাত্ৰী

শ্ৰীমতী জোনমণি লাহন
স্নাতক ষষ্ঠ ষাণ্মাসিক

দূৰ দিগন্তৰ পথিক তুমি
আবিৰ সনা জীৱন নামৰ সাঁথৰটিক
ঠুনুকা হ'বলৈ নিদিবা
আকাশলংঘী স্বপ্নবোৰক
বাস্তৱ হ'বলৈ দিয়া
য'ত থাকিব গভীৰ আশাবাদ, এই
আশাবাদৰ সৈতে
আই পিতাইৰ ওঁঠৰ এমোকোৰা
বিৰিঙা হাঁহিৰে
সাজিব প্ৰেৰণাৰ তামীঘৰা।

❑❑❑

# নিস্তব্ধ প্ৰতিবাদ

শ্ৰীমতী ক্ষীৰু প্ৰভা বড়া
স্নাতক ষষ্ঠ যাণ্মাসিক

সত্য সমাজৰ শান্তিৰ পদ চিহ্নবোৰে
নিয়ম বহিৰ্ভূত হৈ পৰিছে,
শাসক শ্ৰেণীৰ কবলত পৰি
উপায়হীন হৈ পৰিছে।
নিস্তব্ধ মানুহৰ জীৱনবোৰ
বেদনা সিক্ত হৈ অশ্ৰু নিগৰিছে,
আশাবোৰে সপোন ৰচে সংগোপনে
নিৰৱে প্ৰতিবাদ কৰে
জীৱনলৈ শান্তি আহক......।
সুবিশাল, সুন্দৰ, শান্তিৰ পৃথিৱীও
দানৱ কিয়?
সমৰ্থ থাকিও অপাৰগ
এনে সমাজৰ কিবা জানো অৰ্থ আছে?
অনিৰ্বাপিত অগ্নি জ্বলি থকা সমাজত
মানৱ জীৱনৰ অৰ্থ কি?
তথাপি আমি জীয়াই থাকিব লাগিব
নিজৰ বাবেই
নিস্তব্দ প্ৰতিবাদী হৈ।

□□□



# অসমৰ সাম্প্ৰতিক পৰিস্থিতি

শ্ৰীমতী সবিতা লোহাৰ
স্নাতক ষষ্ঠ যাণ্মাসিক

আজিৰ অসম নহয়, সুন্দৰৰ সাধনা
ইয়াত চৌপাশৰ কেৱল বিভীষিকা।
মাথো চাৰিওকাষে কালৰ কুটিলতা
সোণৰ, প্ৰাণৰ অতি চেনেহৰ
অসম আজি ধ্বংসৰ মুখত।
চৌদিশে বোমা বাৰুদৰ তাণ্ডৱ।
নাই শান্তি নাই স্থিৰতা,
ঘৰে ঘৰে সন্ত্ৰাসৰ নৃত্য
নাই ভাই-ভাইৰ মাজত
আন্তৰিকতা, ভ্ৰাতৃত্ববোধ
জঁহি খহি অসম আজি মৃত্যুৰ পথ।
প্ৰতিজন মানৱৰ প্ৰাণৰ মমতা
সেয়েহে সকলোৰে স্বাৰ্থপৰতা
অসম আজি নিৰলে কান্দে
উচুপি উচুপি।
নিজৰেই সন্তানৰ বিমৰ্ষতাত
জেউতি চৰা ৰূপালী অসমে
কেতিয়াবাই পাহৰিলে মিচিকিয়াবলৈ
অতীতৰ অসম আজি হেৰাই গ'ল
কালৰ কুটিল গতিত......।

□□□

# মা

শ্ৰীমতী মিঠু গগৈ
স্নাতক ষষ্ঠ যাণ্মাসিক

তেওঁ মোৰ দুচকুত সপোন দেখে
মোৰ দুখত হাঁহাকাৰ কৰি উঠে।
মোৰ সুখৰ বাবে প্ৰতিদিন দুহাত ওপৰলৈ দাঙে
তেওঁ মোৰ মা
যাৰ নাছিল কোনো উচ্চ ডিগ্ৰী ডিপ্লমা।
কিন্তু তেওঁৰেই মোক পঢ়ুৱাইছিল
জীৱনৰ শ্ৰেষ্ঠতম পাঠ।
দেখুৱাইছিল পোহৰৰ বাট
তেওঁক দুখ দি মই ভাগৰি পৰা নাই
কিন্তু মোৰ সুখ কামনা কৰি
তেওঁ হাৰ মনা নাই
মোক মানুহ কৰিবৰ বাবে
তেওঁ সকলো দুখ সহি যায়।
আৰু মই হেৰাই গৈছো
অমানুহৰ মাজত।

□□□

# ফাগুনৰ পছোৱা

শ্ৰীমতী ইৰাণী গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

ফাগুনৰ পছোৱা কিয়নো আহে
চঞ্চল মন মোৰ উৰুৱাই নিয়ে।
মদাৰৰ ৰঙে মিচিকি হাঁহে,
পলাশৰ ৰঙে আকাশ জিলিকাই,
চঞ্চল মনে মোৰ ঠাই বিচাৰি পায়
পলাশৰ ৰঙত বিলীন হৈ যায়।
বতাহৰ চেৰে চেৰে
সৰাপাতবোৰেও লৰি ফুৰে
চোতালৰ ইমূৰৰ পৰা সিমূৰলৈ'
লক্ষ্যহীন ভাৱে।
ফাগুনৰ পছোৱা জাকে
ঘনে ঘনে আহে আৰু যায়
ধূলি উৰুৱাই।
পৃথিৱীৰ সজীৱতা ম্লান পৰি যায়
বৰষুণৰ অপেক্ষাত দিনবোৰ যায়।
এটোপাল পানীৰ বাবে হাঁহাকাৰ
পৃথিৱীক
নতুন দিনৰ সম্ভেদ দিলে
এজাক বৰষুণৰ আগমনে।।

□□□

# বসন্তৰ আগমণ

শ্ৰীমতী জানমণি গগৈ
ষষ্ঠ ষাণ্মাসিক

ফাগুণৰ মলয়াই মোৰ মনটো চুই গৈছে
ঠৰঙা ডালৰ শুকান পাতবোৰ
ফাগুণৰ মলয়াই সকলোৱাই পেলাইছে।
বসন্ত ঋতুৰ আগমনৰ লগে লগে
ঠৰঙা ডালত কুঁহিপাত ওলাইছে;
গছে-বনে নানা ফুল ফুলিছে।
আদৰৰ কুলি জনীয়েও ডালত বহি
সুমধুৰ বিনন্দীয়া গীত জুৰিছে।
ঢাপত কেতেকীয়ে বৈ-বৈ বিনাইছে,
বতাহত গছবোৰে কিজানি হালি-জালি নাচিছে।
নাচৰ তালে তালে বতাহে কিজানি
হুৰ হুৰকৈ বীণা বজাইছে।
অসমীয়া শিপিনী সকলে
সাদৰেৰে গামোচাত ফুল বাচিছে
আপোনজনক দিবলৈ,
জীয়ৰী-বোৱাৰী সকলে
জুশালত বহি
মুখ ৰুচিকৰ পিঠা-পনা বনাইছে।
ডেকা-গাভৰু, বুঢ়া-মেথা সকলোৱে
ঘৰে ঘৰে বিহু নাচি
বসন্তক আদৰণি জনাইছে।

□□□



# এটি অনুভৱ

শ্ৰীমতী ৰুবী সোণোৱাল
স্নাতক ষষ্ঠ ষাণ্মাসিক

চৰাইদেউ জিলাৰ সোণালী পাতত জিলিকা
জ্ঞানমন্দিৰ সোণাৰি মহাবিদ্যালয়
আকৌ প্ৰাণাম জনাইছোঁ তোমাক।
বিদায় ক্ষণত আজি
সময়ৰ পদূলিত যেন
বতাহ বলিব খোজে....
অশ্ৰুসিক্ত নয়ন আৰু......
কিছু স্মৃতি দুখৰ আৰু
কিছু সুখৰ।
ভৱিষ্যতে সোণোৱালী বাটত,
অগ্ৰসৰ হোৱাৰ সময় আহি পৰিছে,
ইয়াৰ লগত জীৱনটো সম্পৃক্ত হৈ আছে
কলেজীয়া জীৱনৰ উন্মোক্ত হাঁহি ধেমালি,
মান-অভিমানবোৰ... নেৰো বুলি ভাবিলেও
এৰিতো যাবই লাগিব
ভৱিষ্যতৰ সোণালী সপোন গঢ়াৰ স্বাৰ্থত।
তথাপিও এই বিদায় যেন
আমাৰ বাবে বিদায় নহয়
ইয়াৰ মাজত নিহিত হৈ আছে
আশাৰ ৰেঙণি, পোহৰৰ প্ৰণয়...
তুমি হৃদয়ৰ একাজলী আশীষ
তুমি জনালেহে আন কোনোবাই
সাদৰেৰে স্বাগতম জনাব আমাক।
পাহৰি নাযাওঁ বুলি,
'জীৱন' ব্যাকৰণৰ বহু পৃষ্ঠা জুৰি
থাকিবা তুমি....
"সুখ-দুখৰ অলংকাৰ, আশাৰ ৰূপক
মৰম চেনেহৰ উপমা, সমালোচনাৰ শ্লেষ,
শব্দৰ ছন্দ, হাঁহিৰ সুৰ সমলয় আৰু
কান্দোনৰ বিলাপ হৈ।"

□□□

# ৰূপান্তৰৰ গছ

শ্ৰীমতী বনশ্ৰী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

সৌ সিদিনাৰ পৰা
আলফুলীয়া মনটিক সযতনে সাঁচি ৰাখি থৈছিলোঁ
কিন্তু ক্ৰমাৎ হেঁপাহৰ হেঙুল বৰণটিয়ে
মনটিক পৰিপক্কতাৰে নিমগ্ন কৰিলে।
সময়ৰ হেন্দালিত
লহপহকৈ বাঢ়ি আহিছে
স্বপ্ন বিভোৰ বাস্তৱৰ লতাজুপি।
নীল বৰণীয়া সীমাহীন আকাশৰ সীমনাত
খোজ পেলোৱাৰ বাসনাত
এধানি সুখৰ হাঁহি বিৰিঙাবলৈ
কত যত্নেৰে
পালিত হৈছে সপোনবোৰ
সোণাৰুৰ হালধীয়া আশা
যেন তাৰেই চানেকি।

□□□

# আহিনৰ এটি সন্ধিয়া

শ্ৰীমতী বন্দনা বৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক

আহিনৰ কোনোবা এটা
মৰমসনা সন্ধিয়া
তুমি বাৰু আহিবানে
সৰা শেৱালী বুটলিবলৈ
শেৱালীৰ সুবাস ল'বলৈ
শাৰদীয় জোনাকৰ জ্যোৎস্না
গাঁওৰ চিলগুটি দিয়া একা-বেঁকা
পথেদি খোজ কাঢ়িবলৈ

□□□





# মালতীৰ জীৱন

শ্ৰীমতী মলয়া গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

আকাশখন ওন্দোলাই আনিছে, ডাঙৰ বৰষুণ হ'ব কিজানি। মনতে ভাবি তাই খৰধৰকৈ ভাতকেইটা চৌকাত বঢ়ায় দিলে। মনতে ভাবিলে চবজী কি বা ৰান্ধিব? ভাবি থাকোতে মনত পৰিল বৰষুণ আহিব। আজি আৰু চবজী নোহোৱাকৈয়ে খাব ভাতকেইটা। মইনাক লৈ চিন্তা নাই, মাধৱৰ দৰে একেই, খোৱাবোৱাকলৈ থেন গেন নকৰে। কথাবোৰ ইমানপৰে তাই মনতে গুণা-গঁথা কৰি আছিল। মনেই কৰা নাছিল চাউল কেইটাই উতল দিছিল। মেকুৰী জনীৰ চিঞৰতহে তাইৰ সম্বিত ঘূৰি আহিল। আলু দুটা জুইত সুমুৱাই দি তাই মইনাক টোপনিৰ পৰা জগাই দিলে। ভাতকেইটা বাঢ়ি পোৰা আলুকেইটা পিটিকা কৰি কাঁহীৰ কাষত ল'লে। একো আপত্তি নকৰাকৈ মইনাই বৰ তৃপ্তিৰে ভাত কেইটা খালে। তাক এনেকৈ তৃপ্তিৰে খোৱা দেখিলে মাধৱলৈ তাইৰ মনত পৰে, সিও এনেকৈয়ে তৃপ্তিৰে খাইছিল। বাচন বৰ্তন কেইটা সামৰি তাইয়ো মইনাৰ কাষতে বাগৰ দিলে। চিলমিলকৈ টোপনি আহিব খোজোতেই তাই আকৌ ভাবিলে বৰষুণ হ'ব এতিয়া, ঘৰটোৰ চালখন উৰলি গৈছে। ক'ত ক'ত বৰষুণৰ পানী পৰিব পাৰে তাই মনতে ভাবি সৰু টিন আৰু য'ত যি পায় তাকে পাটি দি শুৱলৈ চেষ্টা কৰিলে। মনতে ভাবিলে এইবাৰ শাওণৰ বাৰিষাৰ আগে আগে চালখন এবাৰ চোৱাব লাগিব নহলে বৰষুণ দিলে ঘৰটোত ভৰি দিবলৈ ঠাই নেহোৱা হয়। বৰষুণ দিলে মইনা ঘৰৰ ভিতৰতে কাগজৰ নাও বনাই উটোৱাই দিয়াৰ দৃশ্যটো দেখি তাইৰ হৃদয়খনে হাহাকাৰ কৰি উঠে। কেতিয়াবা নিজৰ জীৱনটোক লৈ তাইৰ ঘৃণা ওপজে। মনতে প্ৰশ্ন হয় কিয় তাই জন্ম লৈছিল? তাইৰ দেখোন জীৱনটো চাৰিওফালে কেৱল শূন্য, এটা বৃহৎ শূন্য। চাৰিওফালে কেৱল হতাশা আৰু নিৰাশা- পাৰা পাৰ নোহোৱা এক বৃহৎ জল সমুদ্ৰত তাই ডুব গৈ আছে। জন্ম হৈয়ে মাকক হেৰুৱালে, আইতাকৰ কোলাত মুৰ থৈ মাত্ৰ জিৰণী লৈছিল হে বিধিয়ে তাইৰ কপালত সেইকনো সুখ সহ্য কৰিব নোৱাৰিলে। সেয়ে ছাগে আইতাককো লৈ গ'ল অচীন কোনোবা নিৰ্জন ঠাইলৈ। এদিন দুদিন কৰি দিন বাগৰি আইতাক মৰাৰ ছয়মাহ নৌহওঁতেই দেউতাকে

মাহীমাকক আনিলে। তাৰ পাছত মাহী আইৰ ককৰ্থনাৰ অন্ত নপৰিল। দিশহাৰা হৈ পৰিল তাই। এনেকৈয়ে এদিন দুদিন কৰি যৌৱনৰ ৰঙীন দলিচাত তাই খোজ পেলালে। যৌৱনৰ প্ৰথম খোজতে তাই মাধৱক লগ পালে। মাধৱৰ নাম আৰু কাম দুয়োটাই তাক শোভা পাইছিল। লাহে লাহে সি তাইৰ কাষ চাপি আহিল। অকলশৰীয়া পখীজনীয়ে যেন জীৱনৰ সাৰথি বিচাৰি পালে। এনেকৈয়ে এদিন তাই মাধৱৰ সংগী হৈ তাৰ ঘৰ শুৱণি কৰিছিলিহি। সুখৰ পলবোৰে থন ধৰি উঠিছিল, সিও অকলশৰীয়া আছিল। কিন্তু ভগৱানে তাইক কোনো দিনে সুখত থকাতো হয়তো বিচৰা নাছিল। এদিন দুদিনকৈ সিহঁতৰ মাজলৈ এটি মৰমলগা সন্তান আহিল, তাৰ নাম থ'লে মইনা। সুখৰ সেউজীয়া আভৰণ পিন্ধিছিল সিহঁতে। কিন্তু সুখৰ প'লনো মানুহৰ জীৱনত থাকে কেই মুহূৰ্ত।

সিদিনা আছিল সোমবাৰ। সোমবাৰে তাহাঁতৰ ঘৰৰ পৰা অলপ দূৰত সাপ্তাহিক বজাৰ বহে। সি বজাৰলৈ যোৱা নাছিল কাৰণ কাম কৰা পইচা পোৱা নাছিল। সেয়ে গধূলি সময়ত হলিৰামৰ দোকানলৈ বুলি খোজ ল'লে। সেইদিনা সি ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত মইনাই চিঞৰি চিঞৰি কান্দিছিল। মালতী আৰু মইনাক গধূলি সময়ত অকলশৰে এৰি থৈ যাবলৈ তাৰো মন যোৱা নাছিল সেইদিনা। কিন্তু ঘৰত গধূলি সাজৰ বাবে চাউল নাছিল। সেয়ে সি যাবলৈ বাধ্য হৈ পৰিল। নহ'লে যে আটাইৰে লঘোণ হ'ব। কেঁচা পথটো এৰি পকী পথেৰে খোজ দিছিল মাধৱে হলিৰামৰ দোকানলৈ আৰু বেছি দূৰ নাই। এনেতে মদৰ ৰাগীত মাতাল হৈ কেইটামান উদণ্ডীয়া ডেকাই বায়ু বেগেৰে মটৰচাইকেল চলাই আহিছিল। মাধৱে ভাবিছিল ইহঁতৰ কথা ঠিক নাই গতিকে ৰাস্তাৰ কাষেৰে যোৱাটো তাৰবাবে ভাল হ'ব, এনেকৈ ভাবি সি ৰাস্তাৰ দাঁতিলৈ গ'ল। কিন্তু সিহঁত মানুহৰূপী একো একোটা দানৱ। টোপনিত লাল-কাল হৈ শুই থকা মানুহক সিহঁতে জোকাই ভাল পায়। সমাজৰ নিম্নস্তৰৰ মানুহবোৰ যেন সিহঁতৰ মনত একো একোটা জাৰৰৰ দ'ম। সিহঁতৰ মানত ধনেই সকলো। মানৱতা নামৰ কোনো শব্দই পৃথিৱীত নাই। মাক-দেউতাকৰ ধনেৰে একো একোখন দামী মটৰচাইকেল লৈ বায়ুবেগে সন্মুখৰ মানুহৰ চকুৰ আগেৰে পাৰ হ'ব পৰাতেই তেওঁলোকৰ মনুষ্যত্বৰ সাৰ্থকতা। তাৰ বাহিৰে কাষৰ জনক সহাঁৰি জনাবৈল তেওঁলোকৰ আহৰি নাই। কিন্তু মানুহ সকলো সমান, কাৰোৱাক হীন কৰি নিজে উচ্চ হ'ব নোৱাৰি। ধন এনে এক উপাদান আজি মোৰ হাতত কালিলৈ আন কাৰোবাৰ হাতত। এই কথাবোৰৰ কোনো মূল্যই



নাই সিহঁতৰ অভিধানত। কথাবোৰ ভাবি ভাবি খৰ খোজেৰে হলিৰামৰ দোকান পালেগৈ। দোকানত ভৰি দি প্ৰথম সি বাকীলৈ বস্তু খুজিবলৈ অলপ সংকোচ কৰিছিল যদিও শেষত মুখ খুলিলে হলিৰামে। তাৰ স্বভাৱৰ কথা জানে বাকী লৈ মাধৱে কোনো দিনে ফাঁকি কৰা নাই। চাউল আৰু দুটকাৰ মৰটন লৈ সি খৰ খোজেৰে ঘৰমুৱা হ'ল। মনতে ভাবিলে আজি মইনাই মৰটনকেইটা পাই বৰ আনন্দ পাব। আজি মালতীয়ে বাৰীতে থকা ঢেঁকীয়া কেইডালমান চিঙি থৈছিল, সি ঔটেঙা আৰু পুঠিমাছ যোগাৰ কৰি থৈছে গতিকে আজি তৃপ্তিৰে ঔটেঙা দিয়া ঢেকীয়া আৰু পুঠিমাছৰ সৈতে ভালকৈ এসাজ খাব। কিন্তু অলপ আগতে পাৰ হৈ যোৱা ল'ৰাবোৰ পুনৰ ঘূৰি আহিছে, সি কোনোমতে পকী ৰাস্তাটোৰ পৰা নামি কেঁচা ৰাস্তাত ভৰি দিবলৈ পাৰিলেই হ'ল বুলি ভাবি ত্বৰিত চকা লগাৰ দৰে আগবাঢ়িছিলহে এনেতে পাচফালৰ পৰা কিবা এটাই প্ৰচণ্ড জোৰেৰে ঠেলামৰা যেন তাৰ অনুভৱ হ'ল আৰু তাৰ হাতৰ পলিথিনটো হাতৰ পৰা দূৰত চিটিকি পৰিল। চাউলবোৰে ৰাস্তাটো বগা হৈ পৰিল। আনখন হাতত থকা মৰ্টন কেইটা হাতৰ মুঠিতে লৈ মাটিত ঢলি পৰিল। এক মুহূৰ্ততে তাৰ সকলো সপোন, সকলো আশা থান-বান হৈ পৰিল। সি কাণেৰে দেখোন একো শুনা নাই, তাৰ কি হৈছে বাৰু, চকুৰ আগত দেখোন মালতী আৰু মইনাৰ মুখখন জিলমিলকৈ দেখা পাইছে। লাহে লাহে সিহঁতকো মণিব নোৱাৰা হৈ পৰিল, হাত দুখনেৰে মালতী আৰু মইনাক চুই চাব বিচাৰিছে কিন্তু হাতখন দেখোন লৰ-চৰ কৰিব নোৱাৰিছে সি কি হৈছে বাৰু তাৰ? নিজকে প্ৰশ্ন কৰি চকুকেইটা জোৰকৈ মেলিব বিচাৰিলে কিন্তু তাৰ সেই চেষ্টা ব্যৰ্থ হ'ল। শেষত সি একেবাৰে স্তব্ধ হৈ পৰিল। মালতীৰ বুকুভগা কান্দোন, মইনাৰ কান্দোন কোনোটোৱেই তাক জগাই তুলিব নোৱাৰিলে। সেই দিনাৰ পৰাই মাধৱে চিৰদিনৰ বাবে শুই থাকিল। ইমানপৰে কথাবোৰ ভাবি তাইৰ চকুৰ পানীৰে গাৰুটো যে তিতি গৈছে তাই মনেই কৰা নাছিল। এবাৰ মইনালৈ চালে সি, লাহে লাহে পাঁচ বছৰত ভৰি দিলেহি। এতিয়া যে সিয়ে তাইৰ সপোন, আশা আকাংক্ষা সকলো। ভগৱানক তাই কাতৰ প্ৰাৰ্থনা জনাইছে যাতে মইনাক সদায় তাইৰ কাষৰতে ৰাখে। ৰাতিপুৱালৈ হয়তো আৰু বেছি ক্ষণ নাই। বৰষুণ জাক আজি নাহিল। তাইৰ মনটো পাতল পাতল লাগিল এইবাৰ হয়তো ভগৱানে তাইক চকুমেলি চাব এনে ভাৱ হ'ল তাইৰ। মনতে প্ৰশান্তিৰ ভাৱ এটা জাগি উঠিল। তাই মইনাক বুকুৰ মাজলৈ টানি ল'লে।

□□□

# সময় সদায় একে নাথাকে.....

শ্ৰীমতী ইৰানী গগৈ
স্নাতক ৪ৰ্থ ষাণ্মাসিক

আজি দেওবাৰ। উপাসনাই বহুদিনৰ পৰা মন্দিৰত ঘৰখনৰ হৈ শৰাই এখন দিম বুলি ভাবি থৈছিল। তাকে দিওঁ বুলি খৰখেদাকৈ কামবোৰ কৰি যাবলৈ ওলাইছে। আন দিনা সদায় পুৱা ৰাহুলক খোৱাই-বোৱাই অফিচলৈ পঠিওৱা, ল'ৰা-ছোৱালী হালক স্কুললৈ পঠিওৱা, বোগীয়া শহুৰেকৰ চোৱা-চিতা কৰি নিজেও কামলৈ যোৱা আদি কামত ব্যস্ত থাকে। দেওবাৰৰ দিনটোও তাইৰ বাবে আজৰি নাই। তথাপি সময় মিলাই মন্দিৰলৈ যাবলৈ ওলাইছে। শৰাইখনত দিবলৈ লোৱা বস্তুবোৰ বেগত ভৰাই খৰধৰকৈ ৰাস্তালৈ ওলাই গ'ল। অলপ পাছতেই তাই গাড়ী পালে। গাড়ীত বহিহে তাই পুৱাৰ পৰা কাম কৰি থকা ভাগৰৰ নিশ্বাস পেলালে। ভাগ্য ভাল তাই গাড়ীত ভালকৈ বহিবলৈ চিটটো পালে। ক্ষন্তেক পাছতেই তাই মন্দিৰ পালেগৈ। মন্দিৰত পূজা কৰি তাই ওলাই আহিছে, এনেতে.....

"অ' আই ! কিবা অলপ দিয়া, আজি দুদিন হ'ল একো এটা খোৱা নাই।" তাই মাতটো শুনি হঠাৎ থমকি ৰ'ল। কঁপা কঁপা মাতটোত চিনাকী ভাব এটা ভাঁহি আহিল। ঘূৰি চাই তাই যি দেখিলে সেয়া সপোনতো ভবা নাছিল।

অ'ত ত'ত ফাটি থকা মলিয়নযুক্ত এটা চার্ট, এটা ভৰি আঁঠুলৈকে কোচাই থোৱা আৰু আনটো সামান্য কোচাই থোৱা এটা লংপেণ্ট পৰিধান কৰা এজন মানুহ। মানুহজনৰ গাত বেমাৰৰ লক্ষণ স্পষ্ট, মুখ হাতৰ চালবোৰ সামান্য কোঁচ খাইছে। ডাড়ি-চুলিবোৰ সামান্য কেকুঁৰা মানুহজনৰ থিয় হৈ থাকিবলৈ কথা ক'বলৈও যেন গাত শক্তি শেষ হৈ গৈছে। তথাপি কঁপা কঁপা হাতেৰে মানুহজনে উপাসনাৰ ফালে থালখন আগবঢ়াই দিলে কিবা এটা পোৱাৰ আশাত। মানুহজনৰ ইমান পৰিৱৰ্তন হ'ল যদিও চকুৰ কোনোবা কোণত এতিয়াও ডেকা কালৰ সাচ তাই দেখিবলৈ পাইছে।

মানুহজনক দেখি উপাসনা আচৰিত হ'ল। মানুহজন তেনে আকৃতিত থাকিলেও সেই চকুকেইটাৰ পৰাই তাই তেওঁক চিনি পালে। সেই মানুহজন অন্য কোনো নহয়, কলেজত তাইতকৈ ওপৰ ক্লাছত পঢ়া অঞ্জন কাকতি। সেই সময়ত অঞ্জনক চিনি নোপোৱা কোনো নাছিল। তাই অঞ্জনৰ ফালেই কিছু সময় একেথৰে চাই ৰ'ল।

"অ' বাইদেউ তাক কিবা এটা দি দিয়ক।" কাষতে থকা ফুলৰ দোকানখনৰ দোকানীজনে মাত দিলে। দোকানীজনৰ মাতষাৰ শুনি থত্মত খাই কি দিওঁ কি নিদিওঁ বুলি মন্দিৰৰ থালখনৰ পৰাই প্ৰসাদ অলপ দি তেওঁক বিদায় দিলে। তাই দোকানীজনৰ ওচৰলৈ গৈ সুধিলে-

"দাদা, এইজন প্ৰসিদ্ধ ব্যৱসায়ী বিশ্বজিৎ কাকতিৰ একমাত্ৰ পুত্ৰ অঞ্জন কাকতি নহয়নে?

"হয় বাইদেউ, আপুনি ঠিকেই ধৰিছে।"

"কিন্তু এওঁৰ এনে দশা হ'বলৈ পালে কেনেকৈ?

"এইবোৰ বহুত কথা আপুনি হবলা একোৱেই নাজানে। আজিৰ পৰা দহবছৰ মানৰ আগতেই দেউতাকৰ মৃত্যু হ'ল। দেউতাকে গোটাই থোৱা সম্পত্তি তেওঁৰ মৃত্যুৰ পাছত পুতেকে ইটোৰ পাছত সিটোকৈ বিক্ৰী কৰিলে। লগৰ ল'ৰাৰ লগ লাগি মদ, ভাং খাই অ'ত-ত'ত গুণ্ডাগিৰি কৰিলে। কেইবছৰ মানৰ পাছত কিবা ডাঙৰ বেমাৰ হৈছিল। বাহিৰত চিকিৎসা কৰি ভালো পাইছিল। আকৌ একে অৱস্থা। মদ, ভাং খাওঁতে ঘৰ ভেটিটোলৈকে বাকী নথলে। এতিয়া এনেদৰে কটাবলগীয়া হৈছে। বাপেকৰ সম্পত্তি যদি ভালদৰে চলালেহেঁতেন এনেদিন কেতিয়াও আহিবলৈ নাপায়। পাবও লাগে পিছে। বাপেকে মানুহক মানুহৰূপে গণ্য নকৰিছিল। টকাৰ কাৰণে তেওঁ যিকোনো কাম কৰিছিল। বাপেকৰ পাপৰ ফল এতিয়া পুতেকে ভুগিছে। পিছে আপুনি এইবোৰ কথা কিয় সুধিলে?"

"নাই এনেয়ে সুধিলো।"

এনেদৰে কৈ তাই খৰধৰকৈ ঘৰলৈ খোজ ল'লে। গাড়ীত উঠি তাই অঞ্জনৰ কথাকে ভাবিবলৈ ধৰিলে। উপাসনাই অঞ্জনক এদিনো মাতি পোৱা নাই। তথাপি তাৰ অসৎ ব্যৱহাৰৰ বাবেই তাক চিনি পায়। সিয়েই আছিল কলেজখনত আটাইতকৈ ধনী ঘৰৰ ল'ৰা। অঞ্জনে কলেজত যিকোনো নীতিবিৰোধ কাম কৰিবলৈ ভয় নকৰিছিল। দেউতাকৰ ভয়ত কোনেও তাৰ বিৰুদ্ধে মাত মাতিব পৰা নাছিল। যদিও অঞ্জনৰ দুষ্টামি সহ্য কৰিব নোৱাৰি কেইজনমান ছাত্ৰই তাৰ ওপৰত কম্প্লেন কৰিছিল যদিও দেউতাকৰ প্ৰভাৱশীলতাৰ বাবে ওলোটাই সিহঁতহে দায়ী হ'ল। কলেজত সকলোকে তেওঁ টকাৰ বলত নিজৰ অধীনত থ'ব বিচাৰিছিল। পুতেকক তেওঁ সদায় স্বইচ্ছাৰে জীয়াই থাকিবলৈ দিব বিচাৰিছিল। কিন্তু নোৱাৰিলে "সময় সদায় একে নাথাকে.....

□□□

# অসমীয়া বিভাগৰ দ্বাৰা অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ কিছু মুহূৰ্ত










































# সোণাৰিত বিহু আদৰণি

বিশেষ বাৰ্তা, সোণাৰি, ৯ এপ্ৰিল ঃ প্ৰতিবছৰৰ দৰে এই বছৰো সোণাৰি মহাবিদ্যালয়ত অহা ২১ এপ্ৰিলত বিহু আদৰণি অনুষ্ঠিত কৰা হৈছে। গীত-মাত, কথা-কবিতা, বিহুনাম, বিহুনাচ, ঢোল-পেঁপা-গগনা পৰিৱেশনৰ মনোজ্ঞ ব্যতিক্ৰমী অনুষ্ঠানটিত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, ব'হাগৰ নাচনীখ্যাত ফুলি ওৰফে প্ৰফুল্ল কোঁৱৰ আৰু জনপ্ৰিয় কণ্ঠশিল্পী দীৰ্ঘজ্যোতি দত্তই গীত পৰিৱেশন কৰিব। বিহু আদৰণিত অংশগ্ৰহণ কৰিবলগীয়া অন্যান্য শিল্পীসকল হ'ল চৰাইদেউ বিহুদলৰ একালৰ নাচনী শিল্পী মধুপলী গগৈ, হীৰেন বৰগোহাঁই, লক্ষীচন্দ্ৰ দাস, অভিজিৎ শইকীয়া, শান্ত চাংমাই, প্ৰয়াসী গগৈ, মুহি চেতিয়া, ময়ূৰতৃষ্ণা পাটৰ, মৌচুমী বৰুৱা, দীপজ্যোতি ভৰালী, ত্ৰিবেণী ছেত্ৰী, ৰেখামণি গগৈ, ডলী চুতীয়া, নৱদীপ গগৈ, উপাসনা ফুকন, বাৰ্লিনা চেতিয়া, সুশীল দাস, অনিতা কোঁৱৰ, ৰীতা দত্ত আৰু ৰঞ্জিৎ চন্দ্ৰ বুঢ়াগোহাঁই। অসমীয়া বিভাগৰ অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত বিভাগীয় আলোচনী 'আধাৰ'ৰ পঞ্চম সংখ্যাটিও উন্মোচন কৰা হ'ব। সমূহ ৰাইজৰ উপস্থিতি আহ্বায়ক ৰঘুনাথ কাগয়ুং-এ

# সোণাৰি কলেজত ৰঙালী বিহু আদৰণী অনুষ্ঠান

বিশেষ বাৰ্তা, সোণাৰি, ২৪ এপ্ৰিল ঃ চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনৰ অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত অলপতে ষষ্ঠ বাৰ্ষিক বিহু আদৰণী অনুষ্ঠান অনুষ্ঠিত হয়। বাৰ্ষিক পত্ৰিকা 'আধাৰ' উন্মোচন কৰে প্ৰদীপ শৰ্মাই। ৰঘুনাথ কাগয়ুঙে পৰিচালনা কৰা অনুষ্ঠানত হুঁচৰি পৰিৱেশন কৰাৰ লগতে দীৰ্ঘজ্যোতি দত্ত, প্ৰয়াসী গগৈ, মৌপিয়া গগৈ, মৰিয়ম বৰপাত্ৰ গোহাঁই, নৱদীপ কোঁৱৰ, হীৰেন বৰগোহাঁই, লক্ষী দাস, শান্তনু চাংমাই, ললিত চাংমায়ে গীত-নৃত্য-কবিতা পৰিৱেশন কৰে। হুঁচৰি অভিযান একাডেমীৰ সপ্তসুৰ চেমনীয়া হুঁচৰি দলে হুঁচৰি পৰিৱেশন কৰে



অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়,
২০১৬-২০১৭ বৰ্ষৰ বিভিন্ন উপ-সমিতিসমূহ ঃ

**১) কেন্দ্ৰীয় সমিতি**

অধিনায়ক (৫ ম যাণ্মাসিক) ঃ শেৱালী ফুকন
অধিনায়ক (৩ য় যাণ্মাসিক) ঃ লক্ষ্যদ্বীপ গগৈ
অধিনায়ক (১ ম যাণ্মাসিক) ঃ সুস্মিতা গগৈ

**২) সাহিত্যম্**

(প্ৰাচীৰ পত্ৰিকা )

সম্পাদক ঃ বন্দনা বৰুৱা
সদস্য ঃ
৫ ম যাণ্মাসিক ঃ চিমি গগৈ
৩য় যাণ্মাসিক ঃ লক্ষ্যদ্বীপ ফুকন
১ম যাণ্মাসিক ঃইন্দুৰাণী বৰুৱা

**৩)বিশেষ শিক্ষক দিৱস সংখ্যা (সাহিত্যম্)**

সম্পাদক ঃ মলয়া গগৈ
সদস্য ঃ মৌচুমী বৰুৱা, জোনমণি লাহন, গীতালী শ্যাম, ববিতা কোঁৱৰ, চন্দ্ৰিকা কোঁৱৰ, ভাস্কৰ চাংমাই, লক্ষীচন্দ্ৰ দাস, দ্বীপজ্যোতি দত্ত।

**৪) 'আধাৰ'**

(গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

সম্পাদক ঃ দ্বীপজ্যোতি গগৈ, দ্বীপজ্যোতি প্ৰধান।
সদস্যা ঃ বনশ্ৰী গগৈ

**৫) দৈনিক লেখা**

সম্পাদক ঃ সুস্মিতা কৰ্মকাৰ ৫ম যান্মাসিক
৫ম যাণ্মাসিক ঃ জানমণি গগৈ, ৰুবী সোনোৱাল
৩য় যাণ্মাসিক ঃ গায়ত্ৰী লাহন
১ম যাণ্মাসিক ঃ জেনিফা বেগম, নিকি বৰা

**৫) বতৰা (সম্পাদকবৃন্দ)**

চেপ্তেম্বৰ সংখ্যা ঃ দিপল শইকীয়া, দ্বীপ জ্যোতি দত্ত - ৫ম যাণ্মাসিক
অক্টোবৰ সংখ্যা ঃ পল্লৱী গগৈ (ক), পল্লৱী গগৈ (খ) - ৫ম যাণ্মাসিক
নৱেম্বৰ সংখ্যা ঃ দ্বীজ্যোতি গগৈ, ভাস্কৰ চাংমাই - ৫ম যাণ্মাসিক
ডিচেম্বৰ ঃ প্ৰয়োজন নাই
জানুৱাৰী ২০১৭ ঃ লক্ষ্যদ্বীপ গগৈ, পলাশজ্যোতি গগৈ - ৩য় যাণ্মাসিক
ফেব্ৰুৱাৰী ঃ নিতু বৰুৱা, প্ৰণৱজ্যোতি বৰুৱা - ৩য় যাণ্মাসিক
মাৰ্চ ঃ ইন্দুৰাণী বৰুৱা - ১ম যাণ্মাসিক
এপ্ৰিল ঃ ১ম যাণ্মাসিক।

দৈনিক লেখাৰ প্ৰথম চাৰিদিনৰ লেখক ঃ সুস্মিতা কৰ্মকাৰ, ৰুবী সোনোৱাল, মলয়া গগৈ, জানমণি গগৈ